**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-04-2026 **Time :** 11.00 Hrs.

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰ অসমলৈ আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি হোজাই, ভৱানীপুৰ-সৰভোগ আৰু ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলাব।

দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি আৰু কাইলৈ বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ ল'ব।। কাইলৈ তেওঁ এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বৰচলা, বিশ্বনাথ, কলিয়াবৰ, বঢ়মপুৰ, তেজপুৰ আৰু বিহালী সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী মনেশ্বৰ ব্ৰহ্মৰ হৈ প্ৰচাৰ চলায়। একেদৰে ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োই চিৰাঙত দলীয় প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী আৰু কমল সিং নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ আগ্ৰাটাৰিত জি এচ পি প্ৰাৰ্থী নৰ কুমাৰ শৰণীয়াই নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাক আশ্বস্ত কৰা তথা যিকোনো ধৰণৰ নিৰ্বাচনী হিংসা প্ৰতিহত কৰাৰ উদ্দেশ্যে আজি ৰাজ্যৰ বিভিন্ন সমষ্টিত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে ফ্লেগমাৰ্চ কৰিব। কিছুদিন পূৰ্বে শোণিতপুৰ জিলাৰ নদুৱাৰ সমষ্টিত হোৱা নিৰ্বাচনী হিংসা, জালুকবাৰী সমষ্টিত বিজেপি আৰু কংগ্ৰেছ কৰ্মীৰ মাজত হোৱা হতাহতিৰ লগতে ডিমৌ, জোনাই আদিত হোৱা বিভিন্ন হিংসাত্মক ঘটনা সন্দৰ্ভত কমেও ১০ টা গোচৰ ৰুজু কৰা হৈছে। আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙে কয়, যে নিৰ্বাচন আয়োগ আৰু প্ৰশাসনে ৰাজ্যখনৰ সংবেদনশীল আৰু স্পৰ্শকাতৰ সমষ্টিসমূহ চিনাক্ত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আৰক্ষী প্ৰশাসনে এই অঞ্চসমূহত আইন-শৃংখলা সুনিশ্চিত কৰাৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০টা অতিৰিক্ত কোম্পানী ৰাজ্যত উপস্থিত হৈছে। পূৰ্বৰ ২০০ কোম্পানীৰ লগতে এই ৬০০ কোম্পানীকো ইতিমধ্যে অসম আৰক্ষীৰ সৈতে নিৰ্বাচনী কৰ্তব্যত নিয়োগ কৰা হৈছে। ৰাজ্যৰ মুখ্য সচিবে ইতিমধ্যে চি আৰ পি এফ, বি এছ এফ, আই এছ আফ আদিৰ সঞ্চালক প্ৰধানসকলৰ সৈতে পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰিছে। নিৰ্বাচনৰ পূৰ্বে ৰাইজৰ মনত যাতে কোনো শংকাৰ সৃষ্টি নহয়, তাক নিশ্চিত কৰা

আৰু নিৰাপত্তা সন্দৰ্ভত ৰাইজক আশ্বস্ত কৰা অভিযানৰ অংশ হিচাপে আজি অৰ্ধসামৰিক বাহিনীৰ লোকসকলে সংশ্লিষ্ট স্থানসমূহত ফ্লেগমাৰ্চ কৰিব।

০০০০০

নিৰ্বাচন আয়োগে ৰাজ্যত নগদ ধনকে ধৰি ৯৭ কোটি টকাৰ বিভিন্ন ধন, সামগ্ৰী জব্দ কৰিছে। ৰাজ্যৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই এই কথা সদৰি কৰি কয়, যে যোৱা ২৬ ফেব্ৰুৱাৰীৰ পৰা কালি পৰ্যন্ত নিৰ্বাচন আয়োগে চাৰি কোটি নগদ ধন, ২০ কোটি মূল্যৰ সুৰা, ৫৬ কোটি মূল্যৰ নিচাযুক্ত সামগ্ৰী, চাৰি কোটি টকাৰ মূল্যবান ধাতু আৰু ১৩ কোটি টকা মূল্যৰ অন্যান্য উপহাৰ সামগ্ৰী জব্দ কৰিছে। অসমৰ যুটীয়া মুখ্য নিৰ্বাচন বিষয়াই আৰু জনোৱা মতে নিৰ্বাচন হ'বলগীয়া দেশৰ কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগতে অসমতো নিয়োগ কৰা ফ্লাইং স্কোৱাড আৰু ষ্টেটিক চাৰ্ভিলেন্স টীমে আকস্মিক তালাচী অভিযান চলাই এই বৃহৎ পৰিমাণৰ ধন, সামগ্ৰী জব্দ কৰে।

০০০০০০

চৰকাৰে ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিক্ৰী বৃদ্ধি কৰিছে। সকলো ৰন্ধন গেছৰ বিতৰকৰ ওচৰত মজুত থকা এনে চিলিণ্ডাৰ বৈধ পৰিচয় পত্ৰ দেখুৱাই ল'ব পাৰি। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে জনোৱা মতে চৰকাৰে চাহিদা অনুসৰি যোগান বৃদ্ধি কৰাৰ পাছত যোৱা ২৩ মাৰ্চৰ পৰা ৬ লাখ ৬০ হাজাৰটা ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী  হৈছে। ৰাজ সাহায্যযুক্ত ১৪ দশমিক ২ কিলোগ্ৰাম ওজনৰ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিপৰীতে ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ বজাৰ মূল্যত লাভ কৰিব পাৰি আৰু নিকটৱৰ্তী বিতৰকৰ পৰা এনে চিলিণ্ডাৰ ক্ৰয় কৰাৰ বাবে কোনোধৰণৰ ঠিকনাৰ প্ৰমাণ নালাগে।

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমান পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ নাটনি হোৱা নাই আৰু জনসাধাৰণে ভীতিগ্ৰস্ত হৈ অযথা ইন্ধন ক্ৰয় কৰাৰ প্ৰয়োজন নাই। মন্ত্ৰালয়ে লগতে জনসাধাৰণক ৰন্ধন গেছ বুকিঙৰ বাবে অপ্ৰয়োজনীয়ভাৱে বিতৰকৰ ওচৰলৈ যোৱাৰ পৰিৱৰ্তে ডিজিটেল ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিবলৈ পৰামৰ্শ দিছে।

০০০০০০০

**সমাপ্ত**